PROGATI COLLEGE, AGOMANI
Estd 1991
Dist.- Dhubri
Assam
* P.O. AGOMANI *

# প্ৰগতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংবিধান

প্ৰগতি মহাবিদ্যালয়, আগমনি

ডাকঘৰঃ- আগমনি,

জিলাঃ- ধুবুৰী (অসম)

পিন-৭৮৩৩৩৫

Scanned with CamScanner

# প্ৰগতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংবিধান

ডাকঘৰঃ- আগমনি, জিলাঃ- ধুবুৰী (অসম) পিন-৭৮৩৩৩৫

## প্ৰস্তাৱনা-

তলত উল্লেখিত নিয়ম- নীতি, উদ্দেশ্য, কাৰ্য্যাৱলী আৰু ক্ষমতা সমূহকলৈ লিখিত আকাৰে প্ৰগতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংবিধান প্ৰস্তুত কৰা হ'ল আৰু এই সংবিধানখন ***'প্ৰগতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংবিধান'*** ৰূপে পৰিচিত হ'ব । উক্ত.লিখিত সংবিধানখন মহাবিদ্যালয় কৰ্তৃপক্ষৰ অনুমোদন ক্ৰমে কাৰ্য্যকাৰী হব ।

## অনুচ্ছেদ- ১

### মুল উদ্দেশ্য আৰু লক্ষ্য

মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ মুল উদ্দেশ্য আৰু লক্ষ্য হল ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সমন্বয় গঢ়ি তুলি বুদ্ধি বা জ্ঞান·সম্বন্ধীয় নৈতিকতা, শাৰীৰিক আৰু সাংস্কৃতিক বিষয়ত সুবিধা আগবঢ়োৱা । (Intellectual, Moral, Physical and Cultural) সেই উদ্দেশ্য আৰু লক্ষ্যত উপনীত হবলৈ হ'লে মহাবিদ্যালয় ছাত্ৰ একতা সভাই বিবাদ, ৰাজনৈতিক, ধৰ্মীয়, আৰু সাম্প্ৰদায়িক মনোভাবৰ পৰা মুক্ত হ'ব লাগিব আৰু লগতে জাতীয় স্বাৰ্থৰ বিৰুদ্ধাচৰণ মূলক মনোভাৱৰ পৰা বিৰত থাকি ঐক্য আৰু সংহতি অক্ষুন্ন ৰখা কৰ্ত্তব্য । আনহাতে, মহাবিদ্যালয় ছাত্ৰ একতা সভাই মহাবিদ্যালয়ত এক মূখ্য ভূমিকা গ্ৰহণ কৰি নিয়মানুবৰ্ত্তিতা, আত্মমৰ্য্যাদা অক্ষুন্ন ৰখা কৰ্ত্তব্য ।

## অনুচ্ছেদ- ২

### ছাত্ৰ একতা সভাৰ কাৰ্য্যাৱলী-

তলত উল্লেখ কৰা কাৰ্য্যসমূহে ছাত্ৰ একতা সভাৰ কাৰ্য্যাৱলীক সূচায় ।



Scanned with CamScanner

ক) সাংস্কৃতিক অনুষ্ঠান, নাট্য সমাবোহ, সংগীত সন্ধিয়া, তর্ক প্রতিযোগিতা ইত্যাদি সংগঠন কৰা ।

খ) জিবনী কোঠাৰ বাবে আলোচনী আৰু বাতৰিকাকত যোগান ধৰা ।

গ) খেলা-ধূলা আৰু ব্যায়মৰ ব্যৱস্থা কৰা ।

ঘ) মহাবিদ্যালয়ৰ মুখপত্ৰ সদৃশ আলোচনী প্ৰকাশ কৰা ।

ঙ) মহাবিদ্যালয়ৰ মঙ্গলাৰ্থে সামাজিক মেল বা সভাৰ আয়োজন কৰা ।

চ) ক্ষমতা অনুযায়ী সমাজসেৱা আৰু মানৱীয় কৰ্তব্য পালন কৰা ।

ছ) মহাবিদ্যালয়ৰ হিতাকাংখী বিশিষ্ট ভদ্ৰলোক আৰু ভদ্ৰ মহিলাক সাদৰ সম্ভাষণ জনোৱা ।

## অনুচ্ছেদ- ৩

### সদস্য -

ক) প্ৰগতি মহাবিদ্যালয়ৰ প্ৰতিজন নিয়মিত ছাত্ৰ- ছাত্ৰীকে 'মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্য' হিচাবে গন্য কৰা হ'ব । নিয়মিত প্ৰতিজন ছাত্ৰ- ছাত্ৰীৰে ভোট দানৰ অধিকাৰ থাকিব আৰু মাত্ৰ এজন প্ৰাৰ্থীৰ পক্ষে এটা ভোট দানৰ অধিকাৰ প্ৰযোজ্য হ'ব ।

খ) প্ৰগতি মহাবিদ্যালয়ৰ প্ৰতিজন সহঃঅধ্যাপক আৰু সহঃঅধ্যাপিকাই ছাত্ৰ একতা সভাৰ Ex-officio সদস্য হিচাবে গন্য হ'ব । কিন্তু ছাত্ৰ একতা সভাৰ সদস্য নিৰ্ব্বাচনৰ ক্ষেত্ৰত ভোট দানৰ অধিকাৰ নাথাকিব ।

## অনুচ্ছেদ- ৪

### সভাপতিঃ

প্ৰগতি মহাবিদ্যালয়ৰ অধ্যক্ষই ছাত্ৰ একতা সভাৰ পদেন সভাপতি । ছাত্ৰ একতা সভাৰ সকলোধৰণৰ নিৰ্ব্বাচন কন্দল, শাসনকাৰ্য্য আৰু বিত্ত অধ্যক্ষৰ হাতত থাকিব আৰু তেওঁৰ সিদ্ধান্তই চুৰান্ত সিদ্ধান্ত হিচাবে গন্য হ'ব ।

Scanned with CamScanner

## অনুচ্ছেদ- ৫

### কাৰ্য্যবাহী কমিটি

তলত উল্লেখ কৰা সদস্য সকলক লৈ প্ৰগতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যবাহী কমিটি গঠন কৰা হ'ব ।

১) সভাপতিঃ- অধ্যক্ষ, প্ৰগতি মহাবিদ্যালয়, আগমনি ।

২) উপ-সভাপতিঃ- উপাধ্যক্ষ, প্ৰগতি মহাবিদ্যালয়, আগমনি অথবা জ্যেষ্ঠ অধ্যাপক অধ্যাপিকাক অধ্যক্ষই মনোনিত কৰিব ।

৩) ভাৰপ্ৰাপ্ত সহঃঅধ্যাপক সহঃঅধ্যাপিকাক বিভিন্ন দপ্তৰ সমূহৰ বাবে ছাত্ৰ একতা সভাৰ সভাপতিয়ে দায়িত্ব অৰ্পণ কৰিব ।

৪) প্ৰগতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নিৰ্ব্বাচিত কৰা সম্পাদক মণ্ডলীৰ দপ্তৰ সমূহৰ সম্পাদক বৃন্দ -

### দপ্তৰ সমূহ

ক) সাধাৰণ সম্পাদক -

খ) সহঃ সাধাৰণ সম্পাদক -

গ) আলোচনী সম্পাদক -

ঘ) সমাজ সেৱা বিভাগৰ সম্পাদক -

ঙ) খেল বিভাগৰ সম্পাদক -

চ) তৰ্ক আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক -

ছ) ছাত্ৰ জিৰণী চৰা বিভাগৰ সম্পাদক -

জ) ছাত্ৰী জিৰণী চ'ৰা বিভাগৰ সম্পাদিকা -

পদসমূহ (স্নাতক যিকোনো বৰ্ষৰ পৰা) আৰু ছাত্ৰী জিৰণী চ'ৰাৰ লগতে আৰু এটা পদ ছাত্ৰীৰ বাবে সংৰক্ষিত থাকিব ।

Amended on 27th August/16

Principal
Progati College, Agomani



Scanned with CamScanner

# অনুচ্ছেদ- ৬

## *নিৰ্ব্বাচন*

মহাবিদ্যালয়ৰ শ্ৰেণীৰ কাৰ্য্যকাল আৰম্ভ হোৱাৰ লগে লগে, বিশেষকৈ ছাত্ৰ ভৰ্ত্তিকৰণ শেষ হোৱাৰ সাধাৰণতে এমাহৰ ভিতৰত ছাত্ৰ একতা সভাৰ সভাপতিয়ে নিৰ্ব্বাচনৰ দিন, সময়, ঠাই ইত্যাদি নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰিব লগীয়া সম্পাদক মণ্ডলীক (*ছাত্ৰ একতা সভাৰ কাৰ্য্যবাহী সদস্য*) জাননী আকাৰে ঘোষণা পত্ৰ দিব লাগে ।

উপ-সভাপতিয়ে উক্ত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত 'Ex- officio Retuening officer' হিচাবে আসনত থাকিব । উপ-সভাপতিয়ে ছাত্ৰ একতা সভাৰ কাৰ্য্যবাহী সদস্যৰ বাবে নিৰ্ব্বাচন হবলগীয়া নিৰ্ব্বাচনৰ কাৰণে ইচ্ছুক প্ৰাৰ্থীৰ পৰা মনোনয়ন পত্ৰৰ আমন্ত্ৰণ জনাব । তদুপৰি, উপ-সভাপতিয়ে যোগান ধৰা নিৰ্ব্বাচনী প্ৰ-পত্ৰত (Form) ইচ্ছুক প্ৰাৰ্থীয়ে তেওঁলোকৰ নাম সুন্দৰকৈ আৰু স্পষ্টকৈ লিখিব আৰু দুজন ছাত্ৰৰ যথাক্ৰমে প্ৰস্তাৱ আৰু সমৰ্থন থাকিব লাগিব । উক্ত প্ৰ-পত্ৰ সভাপতিয়ে নিৰ্দেশ কৰা নিৰ্দিষ্ট তাৰিখ আৰু সময় অনুযায়ী প্ৰাৰ্থীয়ে জমা দিব লাগিব ।

প্ৰাৰ্থীত্ব Scrutiny কৰাৰ পিছত শুদ্ধ বুলি বিবেচিত হলে **Returning officer** এ ভোটদাতা সকলৰ ভোটৰ ৰেকৰ্ড ৰাখিবৰ বাবে শুদ্ধ প্ৰাৰ্থীৰ নামবিলাক প্ৰকাশ কৰিব । সভাপতিয়ে নিৰ্ব্বাচন সম্পৰ্কীয় কিছুমান দৰকাৰী নিয়ম-নীতিৰ সম্বেদ ঘোষনা কৰিব ।

নিৰ্ব্বাচনত মনোনয়ন পোৱা প্ৰাৰ্থীয়ে ইচ্ছা কৰিলে ২৪ ঘন্টাৰ ভিতৰত তেওঁৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰি সভাপতিৰ ওচৰত আবেদন দাখিল কৰিব পাৰিব।

Scanned with CamScanner

## অনুচ্ছেদ- ৭

### প্ৰাৰ্থীৰ যোগ্যতা

ক) প্ৰাৰ্থীজন মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰ হ'ব লাগিব ।

খ) প্ৰাৰ্থীৰ বয়স ১৭ বছৰৰ পৰা ২২ বছৰৰ ভিতৰত হ'ব লাগিব ।

গ) প্ৰাৰ্থীৰ শ্ৰেণীৰ উপস্থিতি কমেও ৭৫% হ'ব লাগিব ।

ঘ) প্ৰাৰ্থীজনৰ কোনো পৰীক্ষাত **Back** থাকিব নালাগিব ।

ঙ) প্ৰাৰ্থীজন আইন মতে নিৰ্দোষী হ'ব লাগিব ।

চ) প্ৰাৰ্থীজন মহাবিদ্যালয়ৰ মাচুল আৰু লাইব্ৰেৰীৰ কোনো ধৰণৰ বাকী থাকিব নালাগিব ।

## অনুচ্ছেদ- ৮

### নিৰ্ব্বাচনৰ প্ৰক্ৰিয়া

ক) প্ৰাৰ্থী নিৰ্ব্বাচন গোপন ভোট দানৰ জৰিয়তে সম্পন্ন হ'ব ।

খ) ছাত্ৰ একতা সভাৰ দপ্তৰৰ এটা পদৰ প্ৰাৰ্থীৰ কাৰণে এজন নিয়মিত ছাত্ৰই প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব।

গ) **Proxy** ভোটদান কৰিব নোৱাৰিব ।

ঘ) নিৰ্ব্বাচনৰ নিৰ্দ্ধাৰিত সময়ত পোলিং বিষয়াই প্ৰতিজন ভোটদাতালৈ এখন মাত্ৰ বেলট পত্ৰ দিব ।

ঙ) যেতিয়া ভোট দাতাই Polling Officer ৰ পৰা বেলট পত্ৰ পাব তেতিয়া ভোটদাতা জনে নিয়মিত ভাবে সজোৱা গোপন কক্ষলৈ গৈ নিজৰ ইচ্ছাৰে প্ৰাৰ্থীৰ পক্ষে ভোট দান কৰি Polling বিষয়াৰ সন্মুখত থকা বেলট বাকচত জমা দিব লাগিব । প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যেক বিভাগৰ পদ প্ৰাৰ্থীৰ নামৰ পক্ষে মাত্ৰ এটাহে ভোট দান কৰিব পাৰিব । ভোটদাতাই নিজৰ পছন্দ অনুসৰি পদ প্ৰাৰ্থীৰ নামৰ বিপৰীতে **X** চিন দি ভোটদান কৰিব লাগিব । ভোটদাতা জনে যাতে



Scanned with CamScanner

তেওঁৰ X চিন পদ প্ৰাৰ্থীৰ নামৰ Columnৰ ভিতৰত দিয়ে তাৰ প্ৰতি সতৰ্ক থাকিব লাগিব আৰু X চিন যাতে সমান্তৰাল ৰেখা ছেদ নকৰে তাকো লক্ষ্য কৰিব লাগিব। অন্যথাই ভোটদান বাতিল বুলি বিবেচিত হ'ব ।

সভাপতিয়ে নিৰ্দেশ দিয়া নিৰ্দ্ধাৰিত সময় সীমাৰ পিছত বেলট পেপাৰ **Issue** কৰা নহ'ব । কিন্তু, যদি কোনো ভোটদাতাই নিৰ্দ্ধাৰিত সময় সীমাৰ অলপ আগতে বেলট লয় তেতিয়াহ'লে বিবেচনা সূচক ভাবে ভোটদান কৰাৰ সুবিধা দিয়া হ'ব । এই ক্ষেত্ৰত সভাপতিৰ সিদ্ধান্তই চুৰান্ত বুলি বিবেচিত হ'ব ।

কোনো ছাত্ৰ-ছাত্ৰীকে এখনৰ বেছি বেলট পেপাৰ লবলৈ দিয়া নহ'ব। মহাবিদ্যালয় কৰ্তৃপক্ষই **Issue** কৰা পৰিচয় পত্ৰ নেদেখুৱাকৈ কোনো ছাত্ৰ-ছাত্ৰীকে বেলট পেপাৰ দিয়া নহ'ব ।

## *অনুচ্ছেদ- ৯*

### *ভোটগণনা আৰু ফলাফলৰ নিয়মাবলী-*

ক) প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ মাজত ভোটৰ ব্যৱধান ৩টা বা তাতকৈ কম হলে প্ৰাৰ্থীৰ আবেদন মৰ্মে পুনৰ গননা বিবেচনা হ'ব পাৰে । তিনিটাতকৈ অধিক ব্যৱধানৰ ক্ষেত্ৰত কোনো আবেদন গ্ৰাহ্য নহ'ব ।

খ) পুনৰ গননাৰ পাছতো দুয়োজনৰ মাজত ভোটৰ সংখ্যা সমান হলে লটাৰী (টচ)ৰ মাধ্যমত বিজয়ী ঘোষণা কৰা হ'ব ।

গ) ভোটৰ বৈধ্যতা সম্বন্ধে মুখ্য নিৰ্ব্বাচনী বিষয়াৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি গ্ৰহণ কৰা হ'ব ।

ঘ) ভোটগণনা চলি থকা সময়ত কোনো প্ৰাৰ্থী বা প্ৰাৰ্থীৰ এজেন্ট উদ্ভট আচৰণ কৰিলে তেওঁৰ বিৰুদ্ধে অনুশাসন মূলক ব্যৱস্থা লবলৈ কৰ্তৃপক্ষই বাধ্য থাকিব।

ঙ) ভোটগণনা চলি থকা অবস্থাত বাহিৰা কোনো ব্যক্তি মহাবিদ্যালয় চৌহদৰ ভিতৰত প্ৰবেশ নিষিদ্ধ থাকিব ।

চ) বিজয়ী কোনো প্ৰাৰ্থীয়ে মহাবিদ্যালয় চৌহদৰ ভিতৰত ফটকা- আতোচবাজী

Scanned with CamScanner

AGOMANI ... 1991 ... Dhubri Assam ... P.O. AGOMANI

আদি জলোৱা নিষিদ্ধ।

## অনুচ্ছেদ- ১০

### ৰহিত কৰণ

নিম্নোলিখিত নিয়ম সমূহ ভংগ কৰিলে এখন বেলট পত্ৰ অবৈধ্য বুলি ঘোষণা কৰা হ'ব -

ক) যদি ভোটদাতাই বেলট পত্ৰত চহী কৰে নতুবা বেলট পত্ৰখন কুৰূপ কৰে।

খ) যদি বেলট পত্ৰত পলিং **(Polling)** বিষয়াৰ চহী নাথাকে।

## অনুচ্ছেদ- ১১

### প্ৰিচাইডিং অফিচাৰ

মহাবিদ্যালয়ৰ নিৰ্ব্বাচনৰ ক্ষেত্ৰত প্ৰগতি মহাবিদ্যালয় অধ্যক্ষই প্ৰিচাইডিং অফিচাৰক নিযুক্ত কৰিব।

ভোট গণনাৰ সময়তো অধ্যক্ষ মহোদয়ে প্ৰিচাইডিং অফিচাৰৰ সহায়ক হিচাবে এজন বা ততোধিক অধ্যাপকক মনোনীত কৰিব আৰু নিৰ্ব্বাচনী ফলাফল অধ্যক্ষ মহোদয়ৰ স্বাক্ষৰ দানেৰে ঘোষণা কৰা হ'ব।

## অনুচ্ছেদ- ১২

### প্ৰিচাইডিং অফিচাৰৰ ক্ষমতা

মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচন সুস্থভাৱে পৰিচলনা কৰাৰ দায়িত্ব প্ৰিচাইডিং অফিচাৰৰ ওপৰত ন্যস্ত থাকিব। নিৰ্ব্বাচনী সময়ত প্ৰযোজ্য নিয়মানুবৰ্ত্তিতা, ভোটদান, ভোটগণনা আৰু আন আন বিষয়ৰ ওপৰত গঢ় দি উঠা প্ৰশ্নৰ মীমাংসা আৰু সিদ্ধান্ত প্ৰিচাইডিং অফিচাৰহে দিব পাৰিব।

## অনুচ্ছেদ- ১৩

### শপথ গ্ৰহণ

নিৰ্ব্বাচনৰ দুই এদিনৰ ভিতৰতে ছাত্ৰ একতা সভাৰ সভাপতিয়ে মহাবিদ্যালয়ৰ



Scanned with CamScanner

ছাত্র একতা সভাৰ কাৰ্য্যবাহী কমিটিত অন্তৰ্ভুক্ত হোৱা প্ৰতি বিভাগৰ প্ৰতিজন সম্পাদককে শপথ গ্ৰহণ কৰাব । শপথ গ্ৰহণ নোহোৱালৈকে কোনেও নিজৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিব নোৱাৰিব ।

## অনুচ্ছেদ- ১৪

### *সহবৰণ* (coption)

যদি ছাত্ৰ একতা সভাৰ কাৰ্য্যবাহী কমিটিৰ দপ্তৰ ইস্তাফা বা ত্যাগ কৰণৰ দ্বাৰা বা আন কাৰণত খালি হয়, তেনেস্থলত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্য্যবাহী কমিটিয়ে সহবৰণ সদস্যৰে পূৰ্ণ কৰিব কিন্তু নিৰ্ব্বাচনৰ যোগেদি নহয় ।

## অনুচ্ছেদ- ১৫

### *কাৰ্য্যবাহী কমিটিৰ কাৰ্য্যাৱলী*

ক) সংবিধানৰ ২নং অনুচ্ছেদত উল্লেখিত কাৰ্য্যসমূহ নিয়াৰিকৈ সম্পাদন কৰণ ।

খ) ছাত্ৰ একতা সভাৰ সভাপতিৰ লগত আলোচনা মৰ্মে সাধাৰণ সম্পাদকে দাঙি ধৰা Budget ৰ pass কৰণ আৰু বিবেচনা কৰণ । উক্ত Budget চলিত বছৰৰ বাবে গ্ৰহণ কৰণ union fee ৰ ওপৰতহে হ'ব ।

গ) ছাত্ৰ একতা সভাৰ সভাপতিয়ে নিৰ্দেশ কৰা বা পৰামৰ্শ দিয়া কামবোৰো সমাধা কৰিব লাগিব ।

## অনুচ্ছেদ- ১৬

### *অধ্যাপক তত্বাবধায়ক*

প্ৰগতি মহাবিদ্যালয়ৰ প্ৰতিজন সম্পাদকক দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে এজনকৈ সহঃ অধ্যাপক তত্বাবধানত থাকিব । এই তত্বাবধায়ক সহঃ অধ্যাপকজনক সভাপতিয়ে মনোনীত কৰিব । প্ৰতিজন তত্বাবধায়কে নিজৰ বিভাগৰ ওপৰত হোৱা কাম-কাজবোৰৰ বিষয়ে থুল-মুল হিচাবে বছৰেকীয়া প্ৰতিবেদন সভাপতিৰ ওচৰত

Scanned with CamScanner

দাখিল কৰিব ।

## অনুচ্ছেদ- ১৭

### ফাণ্ড (Fund) বা সঞ্চিত ধন

প্ৰগতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ এটা একত্ৰিত সঞ্চিত নিধি থাকিব । ইয়াত ছাত্ৰ একতা সভাৰ সকলো ধৰণৰ ধন (belonging union) জমা হব । ছাত্ৰ একতা সভাৰ সভাপতিয়ে উক্ত ধন বন্টন কৰিব ।

ছাত্ৰ একতা সভাৰ সঞ্চিত ধন সভাপতিৰ বিনা মঞ্জুৰী বা সভাপতিয়ে দায়িত্ব অৰ্পণ কৰা সহঃ অধ্যাপকৰ বিনা অনুমতিত কোনো ধৰণৰ খৰচৰ শিতান তৈয়াৰ কৰা নহ'ব ।

আছতীয়া ধন কাৰ্য্যবাহী কমিটিৰ সিদ্ধান্ত মৰ্মে যদিহে কোনোৱা ক্ষেত্ৰত খটুৱাৰ লগা হয় তেতিয়াহে উক্ত আছতীয়া ধন খৰচ কৰিব পাৰিব ।

## অনুচ্ছেদ- ১৮

### সাধাৰণ সম্পাদকৰ কাৰ্য্যাৱলী

ক) সাধাৰণ সম্পাদকে প্ৰতিখন ছাত্ৰ একতা সভাৰ সভা আৰু ইয়াৰ কাৰ্য্যকৰী কমিটিৰ সভাৰ ৰেকৰ্ড-পাতি ৰাখিবৰ কাৰণে প্ৰচিডিং আকাৰে ৰাখিব লাগিব । আৰু সভা শেষ হোৱাৰ পিছত উক্ত প্ৰচিডিং বহী সভাপতিৰ ওচৰত জমা দিব লাগিব ।

খ) সাধাৰণ সম্পাদকে সভাপতিৰ লগত আলোচনা মৰ্মে কাৰ্য্যকৰী কমিটিৰ সভা মাতিব পাৰিব । নাইবা নিৰ্ব্বাচিত আধা সংখ্যক সদস্যই যেতিয়া কাৰ্য্যকৰী কমিটিৰ সভা মতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, অথবা যেতিয়া ছাত্ৰ একতা সভাৰ সভাপতিয়ে কমিটি মতাৰ আহ্বান দিয়ে তেতিয়া সাধাৰণ সম্পাদকে কাৰ্য্যকৰী কমিটিৰ সভা মাতিব পাৰিব ।

গ) সাধাৰণ সম্পাদকে তেওঁৰ কাৰ্য্যকালৰ ভিতৰত হৈ যোৱা কাম-কাজৰ কৈফিয়ৎ



Scanned with CamScanner

আকাৰে বছৰেকীয়া প্ৰতিবেদন সভাপতিৰ হাতত দাখিল কৰিব লাগিব, যেতিয়া তেওঁ কাৰ্য্যকালৰ charge handing over কৰে ।

ঘ) সাধাৰণ সম্পাদকে সভাপতিৰ লগত আলোচনা ক্ৰমে কমেও দুখন সাধাৰণ সভা মাতিব লাগিব ।

## অনুচ্ছেদ- ১৯

### সহঃসাধাৰণ সম্পাদকৰ কাৰ্য্যাৱলী

সহকাৰী সাধাৰণ সম্পাদকে মানৱ হিতৈষী কাম আৰু বছৰেকীয়া ছাত্ৰ একতা সভাৰ প্ৰদৰ্শনীৰ দায়িত্ব-ভাৰত থাকিব । সহকাৰী সাধাৰণ সম্পাদকে প্ৰত্যক্ষ ভাৱে উপ-সভাপতিৰ পৰামৰ্শ অনুযায়ী কাম চলাব।

অন্যহাতে, সাধাৰণ সম্পাদকৰ অবৰ্ত্তমানত তেওঁৰ কাম-কাজ সহঃ সাধাৰণ সম্পাদকে সভাপতিৰ অনুমোদন ক্ৰমে সমাধা কৰিব ।

## অনুচ্ছেদ- ২০

### কোৰাম বা স্থুল

ক) কাৰ্য্যবাহী কমিটিৰ স্থুল হওঁতে এক তৃতীয়াংশ নিৰ্ব্বাচিত সদস্য উপস্থিত থাকিব লাগিব । সংখ্যা গৰিষ্ঠ সদস্যৰ সিদ্ধান্তই গ্ৰহণযোগ্য হ'ব।

খ) সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ দুই তৃতীয়াংশ সংখ্যা গৰিষ্ঠ সভাই ভাৰপ্ৰাপ্ত অধ্যাপকৰ প্ৰতিবেদন অনুসাৰে কিছুমান যুক্তিসংগত কাৰণত যি কোনো বিভাগৰ সম্পাদককে তেওঁৰ কাৰ্য্যকালৰ আগতে আঁতৰাব পাৰিব ।

## অনুচ্ছেদ- ২১

### অতিৰিক্ত ক্ষমতা

মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সভাপতিয়ে মহাবিদ্যালয় পৰিচালনা কমিটিৰ অনুমোদন সাপেক্ষে ছাত্ৰ একতা সভাৰ যি কোনো সিদ্ধান্ত লৰচৰ কৰিব পাৰে নাইবা ছাত্ৰ একতা সভাখন নিলম্বতকৰণ অথবা ভঙ্গ কৰি দিব পাৰে ।

Scanned with CamScanner

## অনুচ্ছেদ- ২২

### হিচাব-নিকাচ

যেতিয়া কোনো বিভাগত কোনো কামৰ বাবে খৰচৰ দৰকাৰ বোধ তেতিয়া খৰচৰ শিতান বিতং ভাবে আগতীয়াকৈ সম্পাদক ডাঙৰীয়াই তত্বাবধায়ক সহঃঅধ্যাপকৰ লগত বহি খৰচৰ শিতান দাঙি ধৰিব লাগিব তেতিয়াহে সভাপতিয়ে দৰকাৰী বুলি গণ্য কৰি দিবলগীয়া ধন সম্পাদকৰ হাতত তুলি দিব । উক্ত ধনৰ সমুদায় হিচাব-নিকাচখিনি উপযুক্ত ভাউচাৰ সহ তথা তত্বাবধায়ক সহঃ অধ্যাপকৰ পৰা প্ৰমান পত্ৰ সহ সভাপতি / উপ-সভাপতিৰ ওচৰত দাখিল কৰিব লাগিব । যদি সম্পাদকে নিৰ্দ্ধাৰিত সময়সীমাৰ মাজত কোনো ধৰণৰ খৰচৰ শিতানৰ কৈফিয়ত দিব নোৱাৰে, তেন্তে উপ-সভাপতিৰ ৰিপোৰ্ট আৰু তত্বাবধায়ক সহঃঅধ্যাপকৰ ৰিপোৰ্ট অনুযায়ী সভাপতিয়ে সম্পাদক / সম্পাদিকাৰ ওপৰত চোকা বা খৰকতীয়া কাৰ্য্য ব্যবস্থা হাতত লব পাৰিব ।

প্ৰতিজন তত্বাবধায়ক সহঃঅধ্যাপকে নিজৰ নিজৰ বিভাগটোৰ হিচাব-নিকাচবোৰৰ শুদ্ধতা প্ৰমাণ আৰু পৰীক্ষা কৰি সভাপতি / উপ-সভাপতিৰ ওচৰত দাখিল কৰিব লাগিব ।

## অনুচ্ছেদ- ২৩

### সংশোধন

সংবিধান সংশোধন কৰিব লাগিলে তলত উল্লেখ কৰা নিয়মাৱলীৰ মাধ্যমেৰে সংশোধন কৰিব পাৰিব -

ক) সংবিধান সংশোধনৰ কাৰণে ৭ (সাত) দিনৰ জাননী দি কাৰ্য্যকৰী সভা আহ্বান কৰিব লাগিব ।

খ) সংবিধান সংশোধনৰ প্ৰস্তাৱিত বিল কাৰ্য্যকৰী কমিটিত দুই তৃতীয়াংশ সংখ্যা গৰিষ্ঠ সদস্যৰ দ্বাৰা মনোনীত হব লাগিব আৰু উক্ত দুই তৃতীয়াংশ সংখ্যা গৰিষ্ঠতাই চৰম সংখ্যা গৰিষ্ঠ হিচাবে একতা সভাৰ কাৰ্য্যকৰী কমিটিত স্থান পাব লাগিব ।

10/08/2015
Principal
Progati College, Agomani



Scanned with CamScanner